# 2024

## ASSAMESE

### ( Honours Elective )

Paper : ASM–HE–6016

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) লক্ষ্মীনাথ বেজবৰুৱা কোন যুগৰ সাহিত্যিক ?

(খ) 'মোৰ জীৱন সোঁৱৰণ' আত্মজীৱনীখন কোনখন আলোচনীত প্ৰকাশ পাইছিল ?

(গ) বেজবৰুৱাৰ 'সুৰভি' গল্পপুথিখন কোন চনত প্ৰকাশ পাইছিল ?

(ঘ) বেজবৰুৱাই পঢ়া ইংৰাজী স্কুলখনৰ 'টেপু মাষ্টৰ' বুলি খ্যাত শিক্ষকজনৰ নাম কি আছিল ?

(ঙ) বেজবৰুৱাই কাৰ সহযোগী হৈ কাঠৰ ব্যৱসায় কৰিছিল ?

(চ) ‘পদুম কুঁৱৰী’ কোন শ্ৰেণীৰ উপন্যাস?

(ছ) লক্ষ্মীনাথ বেজবৰুৱাই কিমান চনত অসম সাহিত্য সভাৰ সভাপতি হৈছিল?

(জ) বেজবৰুৱাই ৰচনা কৰা এখন জীৱনী পুথিৰ নাম লিখা।

(ঝ) বেজবৰুৱাৰ ‘বীণ বৰাগী’ কবিতাটো কোনখন কাব্যপুথিৰ অন্তৰ্গত?

(ঞ) লক্ষ্মীনাথ বেজবৰুৱাক ‘ৰসৰাজ’ উপাধি কোনে দিছিল?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) বেজবৰুৱাই ৰচনা কৰা দুখন বুৰঞ্জীমূলক নাটকৰ নাম লিখা।

(খ) বেজবৰুৱাই সম্পাদনা কৰা আলোচনীখনৰ নাম কি আৰু এইখন কিমান চনত প্ৰথম প্ৰকাশ হৈছিল?

(গ) ‘মোৰ জীৱন সোঁৱৰণ’ত উল্লেখ থকা অনুসৰি অসমত ল’ৰা-ছোৱালী উপজিলে কি কৰিছিল?

(ঘ) মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱৰ দ্বাৰা ৰচিত কোন দুখন পুথিৰ উদ্ধৃতি বেজবৰুৱাৰ ‘তত্ত্বকথা’ গ্ৰন্থত পোৱা যায়?

(ঙ) ‘মলক গুইন গুইন’ গল্পত সাজতোলাৰ দুই পুত্ৰৰ নাম কি কি?





৩। তলৰ যি কোনো চাৰিটাৰ ওপৰত চমু টোকা লিখা : ৫×৪=২০

(ক) বেজবৰুৱাৰ গদ্যৰীতি

(খ) আত্মজীৱনী আৰু ‘মোৰ জীৱন সোঁৱৰণ’

(গ) লক্ষ্মীনাথ বেজবৰুৱাৰ কাব্য প্ৰতিভা

(ঘ) ‘মলক গুইন গুইন’ গল্পত হাস্যৰস

(ঙ) ‘বাপিৰাম’ৰ চৰিত্ৰগত বৈশিষ্ট্য

(চ) লক্ষ্মীনাথ বেজবৰুৱাৰ বিদ্যাৰম্ভ

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) ৰোমাণ্টিক কবিতাৰ বৈশিষ্ট্যসমূহ লিখি ‘মালতী’ কবিতাৰ মাজেৰে সেই বৈশিষ্ট্যসমূহ কিদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

(খ) “লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পত সাধাৰণ মানুহৰ সুখ-দুখ, আনন্দ-বিষাদ, আবেগ-অনুভূতি আদি অতি সহৃদয়তাৰে প্ৰকাশ পাইছে”—‘বাপিৰাম’ গল্পৰ আধাৰত ব্যাখ্যা কৰা।

(গ) বেজবৰুৱাৰ ৰচনাত বৈষ্ণৱ সাহিত্যৰ প্ৰভাৱ সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

(ঘ) অসমীয়া সাহিত্য জগতলৈ লক্ষ্মীনাথ বেজবৰুৱাৰ অৱদান সম্পৰ্কে লিখা।

(ঙ) 'তত্ত্বকথা'ত উল্লেখ কৰা ঈশ্বৰ প্ৰাপ্তিৰ চাৰিটা মাৰ্গৰ বিষয়ে বহলাই আলোচনা কৰা।

(চ) 'মোৰ জীৱন সোঁৱৰণ'ত উল্লিখিত লক্ষ্মীনাথ বেজবৰুৱাই কলিকতালৈ পঢ়িবলৈ যোৱাৰ কাহিনী তোমাৰ ভাষাত বৰ্ণনা কৰা।

(ছ) লিখা পঢ়া শিকি, বিষয় বাব পাই চাহাব হ'বলৈ বিচৰা অসমীয়াৰ মিছা ভেম আৰু ভণ্ডামিৰ চিত্ৰ 'মলক গুইন গুইন' গল্পত কিদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

(জ) 'মোৰ জীৱন সোঁৱৰণ'ত উল্লেখ কৰা বেজবৰুৱাৰ দৈনিক কাৰ্য-তালিকাখনৰ বিষয়ে লিখা।

***

# 2 0 2 4

## ASSAMESE

## ( Honours Elective )

Paper : ASM–HE–6046

( অসমীয়া ভাষা-উপভাষা )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। উত্তৰ দিয়া : ১×১০=১০

(ক) 'অসমীয়া ভাষাৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশ' গ্ৰন্থখনৰ লেখক কোন?

(খ) "সকতি মোৰ আপীটোক গাঁৱৰ মানুহগিলাখানে এন্‌কেঁইহে কয়।" বাক্যটোৰে কোনটো পাঠৰ আৱস্তণি ঘটিছে?

(গ) শীলভদ্ৰৰ প্ৰকৃত নাম কি?

(ঘ) 'ঝ' (Jh) ধ্বনিটো কোনটো উপভাষাত পোৱা যায়?

(ঙ) আদ্যাক্ষৰত প্ৰবল শ্বাসাঘাত কোনটো উপভাষাৰ বৈশিষ্ট্য?

(চ) ‘সহযাত্ৰী’ গল্পটোত কোনটো উপভাষাৰ প্ৰয়োগ কৰা হৈছে?

(ছ) ‘পিজিন’ কি?

(জ) *Linguistic Survey of India* গ্ৰন্থখনৰ লেখক কোন?

(ঝ) ‘হাঁহিচম্পা’ গল্পটো কোনখন গল্পপুথিৰ অন্তৰ্গত?

(ঞ) প্ৰথম অসমীয়া সামাজিক নাটকখন কি?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) নাগামিজ ভাষাৰ দুটা বৈশিষ্ট্য লিখা।

(খ) উপভাষা সৃষ্টিৰ দুটা কাৰণ উল্লেখ কৰা।

(গ) দ্বিভাষিত্ব(bilingualism) মানে কি?

(ঘ) ড. বাণীকান্ত কাকতিয়ে অসমীয়া ভাষাক কি কি উপভাষাত ভগাইছে?

(ঙ) পাতিদৰঙীয়া উপভাষাৰ দুটা বৈশিষ্ট্য লিখা।

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) কামৰূপী উপভাষাক ভাষাগত বৈশিষ্ট্যৰ আধাৰত কিদৰে ভগাব পাৰি, আলোচনা কৰা।

(খ) নৃ-গোষ্ঠীয় উপভাষা বুলিলে কি বুজা?





(গ) মান্যভাষা আৰু উপভাষাৰ সম্বন্ধ বিচাৰ কৰা।

(ঘ) অসমীয়া ভাষাৰ উপভাষা সৃষ্টিৰ ৰাজনৈতিক কাৰণ ব্যাখ্যা কৰা।

(ঙ) ‘ৰাম-নৱমী’ নাটকত উপভাষাৰ প্ৰয়োগ কিদৰে হৈছে, আলোচনা কৰা।

(চ) “বৈজ্ঞানিক দৃষ্টিভংগীৰে চালে উপভাষাৰ মৃত্যু দুৰ্ভাগ্যজনক।” কথাষাৰৰ তাৎপৰ্য বিচাৰ কৰা।

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) উপভাষাৰ প্ৰয়োগে সৃষ্টিশীল সাহিত্যক কিদৰে সমৃদ্ধ কৰিব পাৰে, তোমাৰ পাঠ্যৰ আধাৰত বিচাৰ কৰা।

(খ) গোৱালপৰীয়া উপভাষাৰ ভাষাগত বৈশিষ্ট্য আলোচনা কৰা।

(গ) উপভাষা অধ্যয়নৰ পদ্ধতি আৰু প্ৰয়োজনীয়তাৰ বিষয়ে এটি আলোচনা যুগুত কৰা।

(ঘ) সামাজিক উপভাষা বুলিলে কি বুজা? সামাজিক উপভাষা সৃষ্টিত জাতিগত, ধৰ্মমূলক আৰু লিঙ্গগত পৰিচয়ৰ গুৰুত্ব কেনেধৰণৰ, বিচাৰ কৰা।

(ঙ) নামনি আৰু উজনি অসমৰ ভাষাৰূপৰ পাৰ্থক্যসমূহ বিচাৰ কৰি এটি প্ৰবন্ধ যুগুত কৰা।

(চ) ভাষা, ব্যক্তিভাষা আৰু উপভাষাৰ মাজত থকা সম্পৰ্ক বিচাৰ কৰি আলোচনা প্ৰস্তুত কৰা।

★★★